# নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

মে 22, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 22 মে 2023 তাৰিখে প’ৰ্ট ম’ৰছবিত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰীযুত ক্ৰিছ হিপকিন্সৰ সৈতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জ সহযোগিতাৰ মঞ্চৰ তৃতীয় সন্মিলনৰ আঁৰত এখন বৈঠক অনুষ্ঠিত কৰে।

2. এইটোৱেই আছিল দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ মাজত প্ৰথম বাৰ্তালাপ।

3. দুয়োগৰাকী নেতাই চলি থকা দ্বিপাক্ষিক সহযোগিতাৰ পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে, আৰু ব্যৱসায়-বাণিজ্য, শিক্ষা, তথ্য প্ৰযুক্তি, পৰ্যটন, সংস্কৃতি, ক্ৰীড়া আৰু মানুহৰ সৈতে মানুহৰ সম্পৰ্ককে ধৰি বিভিন্ন খণ্ডত সহযোগিতা সম্প্ৰসাৰণৰ বাবে সন্মত হয়।

**পোৰ্ট মৰেছবি**
**মে 22, 2023**